# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 03-08-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

- - - - - - - - - - - - - - - - - - - - - -

১।  মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু টাটা ছনছৰ অধ্যক্ষ নটৰাজন চন্দ্ৰশেখৰনৰ উপস্থিতিত আজি জাগীৰোডত ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ ভূমিপূজন। অসম তথা উত্তৰ পূৰৰ বাবে প্ৰযুক্তিগত বিকাশৰ আজি এটা উল্লেখযোগ্য দিন বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২।  হৰ ঘৰ তিৰংগা অভিযানৰ অধীনত জনসাধাৰণক বাসগৃহত ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ আহ্বান।

৩।  ৰাজ্যখনত আধাতে শিক্ষা ত্যাগ কৰা ছাত্ৰীৰ সংখ্যা বৃদ্ধিক লৈ শিক্ষামন্ত্ৰীৰ উদ্বেগ প্ৰকাশ। ***আৰু***

৪।  পেৰিছ অলিম্পিকত বক্সাৰ নিশান্ত দেৱ পুৰুষৰ ৭১ কিলোগ্ৰাম ওজন শাখাত মেক্সিকোৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ। কাইলৈ বক্সাৰ লাভলীনা বৰগোহাঁই,  চীনৰ প্ৰতিদ্বন্দ্বীৰে কোৱাৰ্টাৰ ফাইনেলত মুখামুখি।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু টাটা চনছৰ অধ্যক্ষ নটৰাজন চন্দ্ৰশেখৰণৰ উপস্থিতিত আজি জাগীৰোডৰ অসমৰ প্ৰথমটো ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ ভূমিপূজন কৰা হয়। অসমক বিশ্বৰ অৰ্ধপৰিবাহী উদ্যোগৰ মূল হোতাৰূপে প্ৰতিষ্ঠা কৰাত এই উদ্যোগে বিশেষ ভূমিকা ল'ব বুলি আশা কৰা হৈছে। আজি জাগীৰোডত প্ৰকল্পটোৰ ভূমি পূজন অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজিৰ দিনটো অসম তথা উত্তৰ পূৰ ভাৰতৰ বাবে প্ৰযুক্তিগত বিকাশৰ পথত এটা উল্লেখযোগ্য দিন বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উদ্যোগত টাটা গ্ৰুপে আৰম্ভ কৰা এই প্ৰকল্প অসমবাসীৰ বাবে তাৎপৰ্যপূৰ্ণ আৰম্ভণি বুলি অভিহিত কৰি ড০ শৰ্মাই টাটা গ্ৰুপে অঞ্চলটোৰ চাহ উদ্যোগৰ লগতে চিকিৎসা খণ্ডলৈ আগবঢ়োৱা সেৱাৰ বিষয়েও উল্লেখ কৰে। ৰাজ্যখনত উগ্ৰবাদী সমস্যা প্ৰতিহত কৰাত চৰকাৰৰ সফলতাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে ঔদ্যোগিক গোষ্ঠীটোক অসমত বিনিয়োগ কৰিবলৈ আহ্বান জনাইছিল বুলিও ড০ শৰ্মাই ভাষণ প্ৰসংগত উল্লেখ কৰে। উল্লেখযোগ্য যে, এই প্ৰকল্পটোত ইতিমধ্যে এহেজাৰ অসমীয়া যুৱতীক প্ৰশিক্ষণ দি নিয়োগৰ সুবিধা দিয়া হৈছে। অনুষ্ঠানত ভাষণ  প্ৰদান কৰি টাটা ছনছৰ চেয়াৰমেন নটৰাজন চন্দ্ৰশেখৰণে কয় যে, জাগীৰোডত স্থাপন কৰা দেশৰ প্ৰথমটো ছেমি কণ্ডাক্টৰ প্ৰকল্পত বৈদ্যুতিক গাড়ী, মোবাইল ফোন আৰু চিকিৎসাৰ বিভিন্ন সঁজুলিৰ বাবে প্ৰয়োজনীয় ৪৮ হাজাৰ মিলিয়ন চিপছ্ প্ৰতিদিনে উৎপাদন তথা যন্ত্ৰাংশ সংযোজন  কৰা হ'ব। আজিৰ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ মন্ত্ৰী বিমল বৰা, পীযূষ হাজৰিকা, নন্দিতা গাৰ্লোচা, যোগেন মহন আৰু মুখ্য সচিব ড০ ৰবি কোটাকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ইফালে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ অহা পৰ্যটকসকলক বিশ্ৰমানৰ সুবিধা প্ৰদানৰ উদ্দেশ্যেৰে অসম চৰকাৰে আজি টাটা গ্ৰুপৰ সৈতে এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ অনুষ্ঠানত অংশ লয়। ০০০

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৯ আগষ্টৰ পৰা ১৫ আগষ্টলৈ **হৰ ঘৰ তিৰংগা** অভিযানৰ অংশ হিচাপে দেশৰ জনসাধাৰণক নিজৰ বাসগৃহত ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ আহ্বান জনাইছে। প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৰ্ব আৰু স্বাভিমানৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি একোখন ছেল্ফি **হৰ ঘৰ তিৰংগা** ৱেবছাইটত আপলোড কৰিবলৈও মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এই অভিযানে বিগত দুবছৰ ধৰি ৰাষ্ট্ৰীয় আন্দোলন হিচাপে গঢ় লৈ উঠিছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও ভাৰতীয়ৰ গৰ্ব আৰু পৰিচয়ৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি দেশপ্ৰেমক মৰ্যাদা দিবলৈ আহ্বান জনাইছে।

০০০০০

ভাৰত পৰ্যাপ্ত খাদ্য-সামগ্ৰী থকা দেশ হিচাপে পৰিগণিত হোৱাৰ লগতে দেশখনৰ শক্তিশালী কৃষি খণ্ডৰ সহায়ত বিশ্বব্যাপি দেখা দিয়া ক্ষুধা আৰু পুষ্টিহীনতাৰ সমস্যা দূৰ কৰাৰ ক্ষেত্ৰত সহায় আগবঢ়াবলৈ সমৰ্থ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় কৃষি বিজ্ঞান কেন্দ্ৰৰ চৌহদত ৩২ সংখ্যক আন্তঃৰাষ্ট্ৰীয় কৃষি অৰ্থনীতিবিদ সন্মিলনত দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। ৭৫ খন দেশৰ প্ৰতিনিধিয়ে অংশ লোৱা এই সন্মিলনত শ্ৰী মোদীয়ে লগতে কয় যে, ভাৰতৰ কৃষকসকলৰ উপকৃত কৰিব পৰাকৈ এহেজাৰ ৯০০ বিধৰো অধিক পৰিৱেশ অনুকূল বীজৰ প্ৰজাতি বিকশাই তোলা হৈছে। ইয়াৰ ফলত কৃষকসকলে ২৫ শতাংশ কম পানী ব্যৱহাৰ কৰি কৃষিকাৰ্য কৰিবলৈ সমৰ্থ হৈছে বুলিও তেওঁ কয়। তেওঁ কয় যে, বহু সংস্কাৰ সাধনেৰে চৰকাৰে কৃষি খণ্ডক সবল কৰি তোলাৰ জৰিয়তে কৃষকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। শ্ৰী মোদীয়ে কয় যে, ভাৰত বিশ্বৰ সৰ্ববৃহৎ মিলেট, গাখীৰ, দাইল আৰু মচলা উৎপাদনকাৰী দেশ।

প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতে পৰম্পৰাগত আৰু প্ৰাকৃতিক কৃষিত গুৰুত্ব আৰোপ কৰি আহিছে। শেহতীয়া কেন্দ্ৰীয় বাজেটত বহনক্ষম কৃষিত বিশেষ আলোকপাত কৰা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতে কৃষি খণ্ডত ডিজিটীয় প্ৰযুক্তি ব্যৱহাৰ কৰিছে আৰু প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ অধীনত দেশৰ ১০ কোটি কৃষকৰ বেংক একাউণ্টলৈ পুঁজি হস্তান্তৰ কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতৰ কৃষি গৱেষণা আৰু শিক্ষাৰ বলিষ্ঠ ব্যৱস্থাৰ কথা উনুকীয়াই দিয়ে। তেওঁ কয় যে, দেশত বৰ্তমান কৃষি শিক্ষণৰ বাবে ৫০০ৰো অধিক কৃষি মহাবিদ্যালয় আৰু ৭০০ৰো অধিক কৃষি বিজ্ঞান কেন্দ্ৰ আছে। এই শিক্ষা প্ৰতিষ্ঠানসমূহৰ জৰিয়তে কৃষকসকলক নতুন প্ৰযুক্তি সন্দৰ্ভত তথ্যৰ যোগান ধৰা হয় বুলি শ্ৰী মোদীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, বিগত ১০ বছৰত ৯০ লাখ হেক্টৰ কৃষি ভূমিক ক্ষুদ্ৰ জলসিঞ্চন ব্যৱস্থাৰ অধীনলৈ অনা হৈছে। কৃষি ভূমিৰ ডিজিটীয়কৰণ অভিযানত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ইয়াৰ জৰিয়তে কৃষকক তেওঁলোকৰ কৃষি ভূমিৰ বিপৰীতে একোটা ডিজিটীয় পৰিচয়চিহ্ন দিয়া হ'ব আৰু কৃষি কাৰ্যত ড্ৰোণ ব্যৱহাৰক উৎসাহিত কৰাৰ বাবে ড্ৰোণ দিদিসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। শ্ৰী মোদীয়ে দৃঢ়তাৰে কয় যে, চৰকাৰৰ এই ব্যৱস্থাসমূহে কেৱল ভাৰতৰ কৃষকসকলকে লাভান্বিত নকৰে বৰং বিশ্বজুৰি খাদ্য সুৰক্ষা সুনিশ্চিত কৰিব।

প্ৰধানমন্ত্ৰীয়ে ভাৰতত চুপাৰ ফুড হিচাপে ক'লা চাউলৰ ব্যৱহাৰৰ বিষয়ে উল্লেখ কৰি কয় যে, অসম, মণিপুৰ আৰু মেঘালয়ত উৎপাদিত ক'লা চাউল ইয়াৰ ঔষধি গুণৰ বাবে পচন্দৰ বিকল্প হৈ পৰিছে।

উল্লেখযোগ্য যে এইবাৰৰ সমাৰোহৰ বিষয়বস্তু হৈছে **বহনক্ষম কৃষি খাদ্য ব্যৱস্থাৰ ৰূপান্তৰকৰণ**। এই সমাৰোহত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতৰ কৃষি বিকাশৰ হাৰ বিশ্বৰ ভিতৰতে সৰ্বাধিক হৈছে। শ্ৰী চৌহানে কৃষি কাৰ্যত অত্যধিক ৰাসায়নিক সাৰ প্ৰয়োগৰ কুফলত আলোকপাত কৰি কয় যে, ৰাসায়নিক সাৰৰ প্ৰয়োগে মাটিৰ উৰ্বৰতা হ্ৰাস কৰি আনে। সেয়ে ভাৰতে বৰ্তমান প্ৰাকৃতিক কৃষিত গুৰুত্ব দিয়া বুলিও তেওঁ প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় চৰকাৰে অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত উত্তৰ-পূবত ৬০টা ৰে'ল ষ্টেচন বিশ্বমানৰ সা-সুবিধাৰ সৈতে বিকশিত কৰাৰ ব্যৱস্থা কৰিছে। বাছনিপ্ৰাপ্ত ষ্টেচনসমূহৰ ভিতৰত অসমৰ কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰাম ৰে'ল ষ্টেচনটো ৩৪ কোটি ৬০ লাখ টকা ব্যয় সাপেক্ষে বিকশাই তোলাৰ পদক্ষেপ লোৱা হৈছে। এই ষ্টেচনটোৰ পুনৰ নিৰ্মাণে কাষৰীয়া অঞ্চলসমূহৰ ৰে'ল যাতায়াতকাৰী সকলক সা-সুবিধা প্ৰদান কৰিব। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ আলিপুৰদুৱাৰ মণ্ডলৰ অধীনৰ নিউ জলপাইগুৰি-নিউ বঙাইগাঁও খণ্ডৰ মাজত অৱস্থিত এই ষ্টেচনটোত যাত্ৰীসকলৰ সুবিধাৰ বাবে অত্যাধুনিক প্ৰতীক্ষা কক্ষ তথা অন্যান্য সা-সুবিধাসমূহ প্ৰদান কৰা হ'ব। তদুপৰি দিব্যাংগসকলৰ বাবে অনুকূল ৰেম্প, লিফ্‌ট আৰু ৫ মিটাৰ বহল ফুট অভাৰব্ৰীজৰ উপৰি পুৰুষ-মহিলাৰ বাবে সুকীয়াকৈ শৌচাগাৰ উপলব্ধ হ'ব। আনহাতে উন্নত পাৰ্কিং ব্যৱস্থা আৰু প্ৰৱেশ-প্ৰস্থান পথ উন্নত কৰি তোলা হ'ব। এই সকলো উন্নয়নমূলক কামৰ ফলত নতুন নিযুক্তি, ব্যৱসায়ৰ সুযোগৰ লগতে পৰ্যটন ক্ষেত্ৰতো সা-সুবিধাৰ সৃষ্টি হ'ব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেই প্ৰকাশ কৰিছে।

ooooo

নীতি আয়োগৰ উদ্যোগত আৰম্ভ কৰা সম্পূৰ্ণতা অভিযানৰ অধীনত আজি বৰপেটা জিলাতো বিশেষ কাৰ্যসূচী হাতত লোৱা হৈছে। মন্দিয়া উন্নয়ন খণ্ডৰ লগতে সামগ্ৰিকভাৱে জিলাখনতে চলিবলগীয়া এই অভিযানৰ আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শুভাৰম্ভ কৰে। এই উপলক্ষে বৰপেটা জিলা পুথিভঁড়াল প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত উপস্থিত থাকি মন্ত্ৰীগৰাকীয়ে কয় যে, ৬ টা নিৰ্দিষ্ট লক্ষ্য পূৰণৰ বাবে জিলাখনৰ মন্দিয়া উন্নয়ন খণ্ডত সম্পূৰ্ণতা অভিযানৰ কাৰ্যসূচীসমূহ হাতত লোৱা হৈছে। প্ৰসূতি মাতৃৰ পঞ্জীয়ন, বিদ্যালয়ত বিদ্যুৎ সংযোগ, বিনামূলীয়া পাঠ্যপুথি বিতৰণ, শিশুৰ টীকাকৰণ, ডায়েবেটিচ আৰু উচ্চ ৰক্তচাপত আক্ৰান্ত প্ৰতিজন লোকৰ স্বাস্থ্য পৰীক্ষাৰ লগতে মহিলা আত্মসহায়ক গোটসমূহৰ সৱলীকৰণৰ বাবে এই অভিযানৰ অধীনত কাৰ্যসূচী হাতত লোৱা হৈছে। মন্ত্ৰীগৰাকীয়ে সম্পূৰ্ণতা অভিযানৰ কাৰ্যসূচীসমূহৰ ৰূপায়ণৰ দ্বাৰা মন্দিয়া উন্নয়ন খণ্ডৰ লগতে জিলাখনৰ অন্যান্য অঞ্চলসমূহত প্ৰভূত উন্নয়ন হ'ব বুলি আশা প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানটোত বৰপেটা জিলাৰ আয়ুক্তকে ধৰি জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়া, কৰ্মচাৰী, আশাকৰ্মী তথা অংগনবাড়ী কৰ্মীসকল উপস্থিত থাকে।

ooooo

ভাৰতক বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত পৰ্যটন ক্ষেত্ৰই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি কেন্দ্ৰীয় পৰ্যটন আৰু সংস্কৃতি মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে প্ৰকাশ কৰিছে। আজি গ্ৰেটাৰ নয়ডাত আয়োজিত ভাৰত-আন্তঃৰাষ্ট্ৰীয় আতিথ্য এক্সপো-২০২৪ৰ সপ্তম সংস্কৰণৰ উদ্বোধনী অনুষ্ঠানত দিয়া ভাষণত শ্ৰী শেখাৱটে কয় যে, কেন্দ্ৰীয় চৰকাৰ দেশৰ পৰ্যটন আৰু আতিথ্য খণ্ডৰ উৎকৰ্ষ সাধনৰ বাবে বদ্ধপৰিকৰ। আন্তঃৰাষ্ট্ৰীয় আতিথ্য এক্সপোৱে দেশৰ আতিথ্য উদ্যোগটোৰ বিকাশত যোৱা ছটা বছৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ

কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে কয়। তেওঁ কয় যে, ভাৰতৰ পৰ্যটন খণ্ডৰ অশেষ সম্ভাৱনা আছে আৰু কৃষি আৰু পৰ্যটনে জনসাধাৰণৰ যিকোনো ক্ষেত্ৰৰ আকাংক্ষা পূৰণৰ দিশত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব পাৰে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে, পৰ্যটন ক্ষেত্ৰই ভাৰতক ২০৪৭ চনৰ ভিতৰত বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিব।

ooooo

ৰাজ্যখনত আধৰুৱাকৈ শিক্ষা ত্যাগ কৰা নাইবা ড্ৰ'পআউট ছাত্ৰীৰ সংখ্যা বৃদ্ধিক লৈ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উদ্বিগ্নতা প্ৰকাশ কৰিছে। আজি বৰপেটাত মন্ত্ৰীগৰাকীয়ে এই বিষয়টোক লৈ এখন বিভাগীয় পৰ্যালোচনা সভাত অংশ লয়। সভাত লাভ কৰা তথ্যৰ ভিত্তিত মন্ত্ৰীগৰাকীয়ে কয় যে, অলপতে ইউনিচেফৰ পৰাও ৰাজ্যৰ শিক্ষা বিভাগে এনেধৰণৰ তথ্য লাভ কৰিছে। তথ্য অনুসৰি সংখ্যালঘু বসতিপ্ৰধান, চৰ অঞ্চল, জনজাতীয় অঞ্চল আৰু চাহ বাগিচা অঞ্চলত আধৰুৱাকৈ শিক্ষা জীৱন ত্যাগ কৰা ছাত্ৰীৰ সংখ্যা অধিক বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে বৰপেটা জিলাত কেইবাটাও চৰ অঞ্চল আছে আৰু এই অঞ্চলসমূহত ড্ৰ'পআউট হোৱা ছাত্ৰীৰ সংখ্যা অধিক বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ইপিনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ স্নাতক প্ৰথম ষান্মাসিকৰ পৰীক্ষাৰ ফলাফল বিগত ৭ মাহে ঘোষণা নোহোৱা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে, বিশ্ববিদ্যালয়খনত পৰীক্ষাক লৈ দীৰ্ঘদিনে সমস্যা চলি আহিছে। এই সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰে সহযোগিতা আগবঢ়াইছে বুলি তেওঁ মন্তব্য কৰে।

ooooo

অসমৰ আগশাৰীৰ সংবাদপত্ৰ দৈনিক অসমে কাইলৈ ৬০ বছৰত পদাৰ্পণ কৰিব। সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাই প্ৰতিষ্ঠা কৰি থৈ যোৱা এই কাকতে বিগত ছটা দশকজুৰি ৰাজ্যখনৰ জাতীয় জীৱনত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। দি আছাম ট্ৰিবিউন কাকতগোষ্ঠীৰ পৰা প্ৰকাশিত কাকতখনে অসমীয়া ভাষা-সাহিত্যৰ উৎকৰ্ষ সাধনতো বৰঙণি আগবঢ়াই আহিছে। কাইলৈৰ পৰা অহা বছৰৰ ৩ আগষ্ট পৰ্যন্ত বৰ্ণাঢ্য কাৰ্যসূচীৰে কাকতখনে হীৰক জয়ন্তী বৰ্ষ উদযাপন কৰিব। কাইলৈ দিনৰ ১০ বজাত আছাম ট্ৰিবিউন প্ৰতিষ্ঠান চৌহদত পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰা হ'ব। বিয়লি উজানবজাৰৰ বিবেকানন্দ প্ৰেক্ষাগৃহত উদ্বোধনী সভাৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

ooooo

ৰাজ্যৰ বিভিন্ন জিলাত খহনীয়াৰ সমস্যাই ভাবুকি সৃষ্টি কৰিছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ আইৰমাৰীত ব্ৰহ্মপুত্ৰৰ খহনীয়াই কমেও ৫০টা পৰিয়ালৰ বাসগৃহৰ ক্ষতি কৰাৰ লগতে বিস্তীৰ্ণ কৃষিভূমি খহাই পেলাইছে। জানিব পৰা মতে খহনীয়াৰ ফলত এহেজাৰ বিঘাতকৈও অধিক ভূমি নৈত জাহ গৈছে। জনসাধাৰণে ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধৰ বাবে ব্যৱস্থা ল'বলৈ বিভাগীয় মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক আহ্বান জনাইছে।

ooooo

অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায়ৰ অধীনত তিনিচুকীয়া জিলাত গছপুলি ৰোপণ আৰু বিতৰণ কাৰ্যসূচী পূৰ্ণগতিত অব্যাহত আছে। এই আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ সদস্যসকলক গছপুলি বিতৰণ কৰা হৈছে। এই উদ্দেশ্যেৰে কাকপথাৰ উন্নয়ন খণ্ডৰ অধীনত ৰঙাজান গাঁও পঞ্চায়তত পঞ্চায়ত সচিব, জীৱিকা সখী, পশুসখী আৰু বেংকসখীৰ লগতে জীৱিকা অভিযানৰ বিষয়াসকলৰ উপস্থিতিত গছপুলি বিতৰণ কৰা হয়। উল্লেখযোগ্য যে

জিলাখনত অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায়ত এক আগষ্টৰ পৰা ১৫ আগষ্টৰ ভিতৰত চাৰে এঘাৰ লাখ গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি জিলা আয়ুক্ত স্বপ্নীল পালে জানিবলৈ দিছে। গছপুলিৰ প্ৰাপ্তিৰ বাবে অনলাইন পঞ্জীয়নৰ সময় ৫ আগষ্টলৈ বৃদ্ধি কৰা হৈছে বুলিও জিলা আয়ুক্তই অৱগত কৰিছে।

০০০০০

গুৱাহাটী মহানগৰৰ পূৱ প্ৰান্তত অৱস্থিত পুৰণি উচ্চ শিক্ষানুষ্ঠান গুৱাহাটী কলেজৰ হীৰক জয়ন্তী বৰ্ষৰ আজি দিনযোৰা কাৰ্যসূচীৰে শুভাৰম্ভণি কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ প্ৰণৱ শাণ্ডিল্য আৰু পৰিচালনা সমিতিৰ সভাপতি ড০ ইন্দ্ৰকুমাৰ ভট্টাচাৰ্যই আৰম্ভ কৰা দিনটোৰ কাৰ্যসূচীৰ অংশ হিচাপে আয়োজন কৰা মুকলি সভাত অসম লোকসেৱা আয়োগৰ অধ্যক্ষ ভাৰত ভূষণ দেৱচৌধুৰীয়ে নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত এভাৰেষ্ট বিজয়ী পৰ্বতাৰোহী তৰুণ শইকীয়াকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ অংশ হিচাপে সন্ধিয়ালৈ সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে।

০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়াব সিং চাইনীয়ে আজি শক্তিপীঠ কামাখ্যা ধামত পূজা অৰ্চনা আগবঢ়ায়। ইয়াৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা মত বিনিময়ত শ্ৰীচাইনীয়ে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ উচ্চ প্ৰশংসা কৰি কয় যে, মুখ্যমন্ত্ৰীগৰাকীয়ে লোৱা পদক্ষেপসমূহৰ ফলত অসম বিকাশৰ পথত অগ্ৰসৰ হৈছে। ইয়াৰ লগতে শ্ৰীচাইনীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে হাতত লোৱা পদক্ষেপসমূহৰ বিষয়েও উল্লেখ কৰে।

০০০০০

শোণিতপুৰ জিলা দিৱসৰ সৈতে সংগতি ৰাখি আয়োজন কৰা ৪ দিনীয়া কাৰ্যসূচীৰ অংশ হিচাপে আজি তেজপুৰ মাৰোৱাৰী ধৰমশালা ভৱনৰ প্ৰাংগণত এটা ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। বিধায়ক গণেশ কুমাৰ লিম্বুৰ উপস্থিতিত অনুষ্ঠিত শিবিৰটোত আসাম ৰাইফলচ আৰু সীমা সুৰক্ষা বলৰ জোৱানসকলেও ৰক্তদান কৰে। শ্ৰীলিম্বুৱে অনুষ্ঠানত উপস্থিত থাকি ৰক্তদানৰ প্ৰয়োজনীয়তা সন্দৰ্ভত জনসাধাৰণক অৱগত কৰে আৰু ৰক্তদান জীৱন দানৰ অনুৰূপ বুলি অভিহিত কৰে।

০০০০০

ব্ৰহ্মপুত্ৰ নদীপৃষ্ঠৰে নুমলীগড়ৰ পৰা গহপুৰ সংযোগী চাৰে যোল্ল কিলোমিটাৰ দৈৰ্ঘ্যৰ ৪ লেনযুক্ত প্ৰস্তাৱিত সুৰংগ পথটোৰ নিৰ্মাণ সম্পৰ্কীয় এখন সভা আজি গোলাঘাটত অনুষ্ঠিত হয়। গোলাঘাট জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত সভাখনত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই সভাপতিত্ব কৰে। প্ৰস্তাৱিত সুৰংগ পথটোৰ সম্ভাব্য সুবিধা আৰু ত্ৰুটি বিচ্যুতিৰ বিষয়ে আলোচনা কৰা সভাখনত কৃষি মন্ত্ৰী অতুল বৰা, বিধায়ক মৃণাল শইকীয়াৰ লগতে জিলা প্ৰশাসনৰ শীৰ্ষ স্থানীয় বিষয়া আৰু কাৰিকৰী অভিযন্তাসকল উপস্থিত থাকে।

০০০০০

কৰিমগঞ্জৰ চন্দখিৰাস্থিত স্বামী বিবেকানন্দ মহাবিদ্যালয়ৰ ফায়াৰিং ৰেঞ্জত চতুৰ্থ অসম বেটেলিয়ন এন চি চিৰ নিৰ্বাচিত কেডেটসকলৰ গুলীচালনাৰ পৰীক্ষা আৰম্ভ হৈছে। এই পৰীক্ষা অহা ১৪ আগষ্টলৈ চলিব। জিলা প্ৰশাসনে ফায়াৰিং ৰেঞ্জৰ নিকটৱৰ্তী অঞ্চলৰ ৰাইজক গুলীচালনা পৰীক্ষাৰ সময়ত অপ্ৰীতিকৰ ঘটনা প্ৰতিহত কৰিবলৈ সাৱধানতাৰে চলিবলৈ আহ্বান জনাইছে।

০০০০০

কামৰূপৰ ঐতিহাসিক পুষ্পভদ্ৰা জান পৰিষ্কাৰ কৰাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। জিলাখনৰ চাংসাৰী অঞ্চলৰ বামুণীগাওঁ, জালাহ, বলাইবিল, ভাঙুৰিছোৱা আদি গাঁওসমূহ কৃত্ৰিম বানৰ পৰা মুক্ত কৰিবলৈ প্ৰায় ৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ জানটো পৰিষ্কাৰকৰণৰ কাম হাতত লোৱা হৈছে। এই পদক্ষেপ বৃহত্তৰ চাংসাৰী অঞ্চলৰ কৃত্ৰিম বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিশেষভাৱে কাৰ্যকৰী হ'ব বুলি অঞ্চলটোৰ ৰাইজে আশা প্ৰকাশ কৰিছে।

০০০০০

পেৰিছ অলিম্পিকত ভাৰতীয় বক্সাৰ নিশান্ত দেৱে আজি নিশা  পুৰুষৰ ৭১ কিলোগ্ৰাম ওজন শাখাত মেক্সিকোৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। খেলখন নিশা ১২ বাজি ১৮ মিনিটত আৰম্ভ হ'ব।

ইফালে, ভাৰতীয় ধনুৰ্বিদ দীপিকা কুমাৰীয়ে পেৰিছ অলিম্পিকত মহিলা আৰ্চাৰীৰ ব্যক্তিগত শাখাৰ কোৱাৰ্টাৰ ফাইনেলত দক্ষিণ কোৰিয়াৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে ৪-৬ ব্যৱধানত পৰাজয় বৰণ কৰিছে।

ইয়াৰ পূৰ্বে শ্বুটিঙতো ইতিমধ্যে দুটাকৈ পদক বিজয়ী মনু ভাকৰ তৃতীয়টো পদকৰ বাবে মহিলাৰ ২৫ মিটাৰ পিষ্টল শিতানৰ ফাইনেলত অৱতীৰ্ণ হৈছিল যদিও চতুৰ্থ স্থান লাভ কৰিবলৈহে সমৰ্থ হয়।

০০০০০

সমাপ্ত